# উদ্ভিদৰ পুষ্টি

**পাঠ: ১**

## অনুশীলনী

**প্ৰশ্ন১: জীৱক কিয় খাদ্য প্ৰয়ােজন হয় ?**

উত্তৰঃ জীৱ এটাই তাৰ দেহৰ গঠন আৰু বৃদ্ধি ঘটাবলৈ আৰু জীৱন প্ৰক্ৰিয়া চলাবলৈ শক্তিৰ প্ৰয়ােজন হয় । খাদ্যই এই প্ৰয়ােজনীয় শক্তিৰ যােগান ধৰে ।

**প্ৰশ্ন২: পৰজীৱী আৰু মৃতজীৱী উদ্ভিদৰ মাজৰ প্ৰভেদ লিখা ।**

উত্তৰঃ পৰজীৱী উদ্ভিদবােৰে আন উদ্ভিদৰ পৰা খাদ্য শােষণ কৰি তাৰ পুষ্টি সাধন কৰে । কিন্তু মৃতজীৱী উদ্ভিদবােৰে মৰা , পচা আদি বস্তুৰ পৰাহে খাদ্য শােষণ কৰে । পৰজীৱী উদ্ভিদে তাৰ আশ্ৰয়দাতা উদ্ভিদৰ অনিষ্ট সাধন কৰে । কিন্তু মৃতজীৱী উদ্ভিদৰ ক্ষেত্ৰত এনে নহয় ।

**প্ৰশ্ন৩: পাতত শ্বেতসাৰৰ উপস্থিতি কিদৰে প্ৰমাণ কৰিব পাৰি ?**

উত্তৰঃ টাবত ৰােৱা সেউজীয়া পাতৰ একেধৰণৰ দুডাল উদ্ভিদৰ এডালক ৰ'দত আৰু আনডালক অন্ধকাৰ কোঠা এটাত ( বা কলা বাকচৰ ভিতৰত ) প্ৰায় ৭২ ঘণ্টাৰ বাবে ৰাখি থােৱা হ'ল । ৭২ ঘণ্টাৰ পিছত দুয়াডাল উদ্ভিদৰ পৰা দুটা পাত আনি উতলা পানীত ধুই তাৰ ওপৰত দুটোপালমান আয়ডিনৰ দ্ৰব পেলাই দিয়া হ'ল । আয়'ডিনৰ দ্ৰবই শ্বেতসাৰৰ লগত বিক্ৰিয়া কৰি পাতৰ ৰং কলা – নীলা ( ডাঠ নীলা ) কৰে । গতিকে দেখা যাব যে যিটো পাত সূৰ্যৰ পােহৰত আছিল তাৰ ৰং ডাঠ নীলা হয় আৰু আনটোৰ বৰণ সলনি নহয় ।

ইয়াৰ পৰা দেখা গ'ল যে সেউজীয়া পাতত শ্বেতসাৰ থাকে । এই শ্বেতসাৰ পাতে সূৰ্যৰ পােহৰতহে উৎপাদন কৰে ।

**প্ৰশ্ন৪: সেউজীয়া উদ্ভিদে খাদ্য সংশ্লেষণ কৰা প্ৰক্ৰিয়াৰ চমু বৰ্ণনা কৰা । অথবা , সালােক সংশ্লেষণ প্ৰক্ৰিয়াৰ চমু বৰ্ণনা দিয়া ।**

উত্তৰঃ উদ্ভিদৰ পাত হ'ল খাদ্য প্ৰস্তুত কৰা কাৰখানা । ইয়াৰ বাবে প্ৰয়ােজনীয় দ্ৰব্য হ'ল পানী , বায়ুৰ কাৰ্বন – ডাই – অক্সাইড , পাতত থকা ক্ল'ৰফিল আৰু সূৰ্যৰ পােহৰ ।

উদ্ভিদে শিপাৰ সহায়ত মাটিৰ পৰা খনিজ লৱণ সহ পানী শা◌েষণ কৰি পাতত যা◌েগান ধৰে। পাতত থকা ক্ষুদ্র ক্ষুদ্র ছিদ্রৰ সহায়ত ই বায়ুৰ পৰা কার্বন – ডাই – অক্সাইড আহৰণ কৰে। পাতত থকা হৰিৎ ( সেউজীয়া ) কণা বা ক্লৰ'ফিলে সূর্যৰ ৰশ্মি শা◌েষণ কৰি লয়। এই তিনিও বিধৰ মাজত ৰাসায়নিক বিক্রিয়া ঘটি পাতত কার্বহাইড্রেট অণুৰ উৎপাদন হয়। অৱশ্যে বিক্রিয়া এক জটিল প্রক্রিয়াৰ মাজেৰে সংঘটিত হয়। উৎপাদিত কার্বহাইড্রেটৰ বহু সংখ্যক অণুক লগ লগাই ( সংশ্লেষণ কৰি ) জটিল শ্বেতসাৰৰ অণু প্রস্তুত কৰে। ইয়ে উদ্ভিদৰ ( জীৱৰ ) খাদ্য হিচাবে ব্যৱহাৰ হয়। সূর্যৰ পা◌েহৰ ( আলা◌েক ) ৰ সহায়ত এই প্রক্রিয়া সংঘটিত হয় বাবে ইয়াক সালা◌েক সংশ্লেষণ ( Photosynthesis : Photo – light , Synthesis – to combine ) বোলে।

সালা◌েক সংশ্লেষণৰ বিক্রিয়াটো চমুকৈ তলত দিয়াৰ দৰে লিখিব পাৰি—


**কার্বন ডাই অক্সাইড + পানী  সূর্যৰ পা◌েহৰ  কার্বহাইড্রেট + অক্সিজেন**

**পত্রহৰিৎ**

উল্লেখযা◌েগ্য যে সালা◌েকসংশ্লেষণ বিক্রিয়াত অতিৰিক্ত অক্সিজেন উৎপন্ন হয়। পাতে এই অক্সিজেন বায়ুমণ্ডলত এৰি দিয়ে। প্ৰাণীয়ে শ্বাস – প্রশ্বাসৰ বাবে এই অক্সিজেন ব্যৱহাৰ কৰে।

**প্রশ্ন৫: এটা থুলমূল চিত্রৰ সহায়ত দেখুওৱা যে — উদ্ভিদ হ'ল জীৱৰ খাদ্যৰ মূল উৎস।**

উত্তৰ



চিত্রৰ পৰা দেখা গ'ল যে মানুহৰ খাদ্য ভাত , ডাইল , মাংস , গাখীৰ , কণী আদি সকলোৰে মূল উৎস উদ্ভিদ । ঠিক তেনেদৰে অন্য জীৱ – জন্তুৰ ক্ষেত্ৰটো ( ছাগলী , গৰু , মূৰ্গী , মাছ আদিৰো ) খাদ্যৰ মূল উৎস হ'ল উদ্ভিদ ।

**প্ৰশ্ন৬: খালী ঠাই পূৰ কৰা :**

**( a ) উদ্ভিদে নিজৰ খাদ্য নিজে প্ৰস্তুত কৰে বাবে ইহঁতক ……………বোলে ।**

**( b ) উদ্ভিদে সংশ্লেষণ কৰা খাদ্য …………..হিচাবে সঞ্চিত হয় ।**

**( c ) সালোক সংশ্লেষণত যি কণাই সূৰ্যৰ ৰশ্মি শোষণ কৰে তাক ……………. বোলে ।**

**( d ) সালোক সংশ্লেষণ প্ৰক্ৰিয়াত উদ্ভিদে …………… গ্ৰহণ কৰে আৰু ……….এৰি দিয়ে ।**

উত্তৰঃ (a) উদ্ভিদে নিজৰ খাদ্য নিজে প্ৰস্তুত কৰে বাবে ইহঁতক স্বপোষী বোলে ।

(b) উদ্ভিদে সংশ্লেষণ কৰা খাদ্য শ্বেতসাৰ হিচাবে সঞ্চিত হয় ।

( c ) সালোক সংশ্লেষণত যি কণাই সূৰ্যৰ ৰশ্মি শোষণ কৰে তাক ক্লৰফিল বোলে ।

(d ) সালোক সংশ্লেষণ প্ৰক্ৰিয়াত উদ্ভিদে কাৰ্বন ডাই অক্সাইড গ্ৰহণ কৰে আৰু অক্সিজেন এৰি দিয়ে ।

**প্ৰশ্ন৭: তলত দিয়াবোৰৰ নাম লিখা :**

**( i ) হালধীয়া , নলীকা সদৃশ অকোৱা পকোৱা কাণ্ড থকা পৰজীৱী উদ্ভিদ ।**

**( ii ) পৰপোষিতা আৰু স্বপোষিতা উভয় গুণ সম্পন্ন উদ্ভিদ ।**

**( iii ) উদ্ভিদৰ পাতত থকা ছিদ্ৰ যাৰ মাজেৰে ইহঁতে গেছৰ বিনিময় কৰে ।**

উত্তৰঃ ( i ) স্বৰ্ণলতা

উত্তৰঃ ( ii ) ……..

উত্তৰঃ ( iii ) ষ্ট’মাটা ( পত্ৰৰন্ধ )

**প্ৰশ্ন৮: শুদ্ধ উত্তৰ বাছি উলিওৱা :**

**( a ) স্বৰ্ণলতা হ’ল :**

**( i ) স্ব – পাোষী ( ii ) পৰজীৱী ( iii ) মৃতজীৱী ( iv ) পাোষক ( host )**

উত্তৰঃ ( ii ) পৰজীৱী ।

**( b ) যিবিধ উদ্ভিদে পতংগ ধৰি লৈ তাক ভক্ষণ কৰি পুষ্টি সাধন কৰে সেইবিধ হলঃ**

**( i ) স্বৰ্ণলতা ( ii ) চীনা গাোলাপ ( চীনা বাোজ ) ( iii ) কলহ লতা ( iv ) গাোলাপ ।**

উত্তৰঃ ( iii ) কলহ লতা ।

**প্ৰশ্ন৯: স্তম্ভ- I ত দিয়াবাোৰক স্তম্ভ- II ৰ লগত শুদ্ধকৈ মিলাোৱা ।**

| স্তম্ভ- I | স্তম্ভ- Il |
|---|---|
| ক্লৰ’ফিল | বেক্টেৰিয়া |
| নাইট্ৰ’জেন | পৰপাোষী |
| স্বৰ্ণলতা | কলহলতা |
| প্ৰাণী | পাত |
| পতংগ | পৰজীৱী |

উত্তৰঃ

| স্তম্ভ- I | স্তম্ভ- Il |
|---|---|
| ক্লৰ’ফিল | পাত |

| | |
|---|---|
| **নাইট্ৰ'জেন** | **বেক্টেৰিয়া** |
| **স্বৰ্ণলতা** | **পৰজীৱী** |
| **প্ৰাণী** | **পৰপােষী** |
| **পতংগ** | **কলহলতা** |

**প্ৰশ্ন ১০: সঁচা মিছা বাছি উলিওৱা :**

**( i ) সালােক সংশ্লেষণত কাৰ্বন ডাই অক্সাইড নিৰ্গত হয় ।**

উত্তৰঃ ( ii ) মিছা

**( ii ) যি বিলাক উদ্ভিদে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰে সেইবিলাক উদ্ভিদক মৃতজীৱী বােলা হয় ।**

উত্তৰঃ ( i ) মিছা

**( iii ) সালােক সংশ্লেষণত উৎপন্ন হােৱা দ্ৰব্য প্ৰ'টিন নহয় ।**

উত্তৰঃ ( iii ) সঁচা

**( iv ) সালােক সংশ্লেষণত সৌৰশক্তি ৰাসায়নিক শক্তিলৈ ৰূপান্তৰিত হয় ।**

উত্তৰঃ ( iv ) সঁচা

**প্ৰশ্ন১১: তলৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিওৱা :**

**( a ) উদ্ভিদৰ কোন অংগই বায়ুৰ পৰা কাৰ্বন ডাই অক্সাইড সালােক সংশ্লেষণৰ বাবে গ্ৰহণ কৰে –**

**( i ) চুলি শিপা ( ii ) পত্ৰৰন্ধ্ৰ ( iii ) পত্ৰ সিৰা ( iv ) বেটুপাত**

উত্তৰঃ ( ii ) পত্ৰৰন্ধ্ৰ

**( b ) উদ্ভিদে বায়ুমণ্ডলৰ পৰা কাৰ্বন ডাই অক্সাইড আহৰণ কৰাৰ ক্ষেত্ৰত মূলত তলৰ কোন অংগৰ ব্যৱহাৰ হয় –**

**( i ) শিপা ( ii ) কাণ্ড ( iii ) ফুল ( iv ) পাত**

উত্তৰঃ ( iv ) পাত